


# ইৰপুখুৰী পাৰৰ কবিতা

শিৱসাগৰ ছোৱালী কলেজ শিক্ষক গোটৰ দ্বাৰা
প্ৰকাশিত কবিতা সংকলন

09987

# বৰপুখুৰী পাৰৰ কবিতা

তমসো মা জ্যোতির্গময়

SIBSAGAR GIRLS COLLEGE LIBRARY
SIBSAGAR, ASSAM
Date..........

*বৰপুখুৰী পাৰৰ কবিতা*
প্ৰকাশ কাল ঃ ২ ছেপ্তেম্বৰ, ২০১৬
প্ৰকাশক ঃ শিৱসাগৰ ছোৱালী কলেজ শিক্ষক গোট
ছপাশাল ঃ বিনায়ক অফছেট, শিৱসাগৰ
বেটুপাত ঃ সঞ্জয় দাস

# কবিতাই কথা কয়....

কবিতাই কথা কয়। ব্যক্ত কৰে মনৰ অব্যক্ত গাঁথা। কবিতাই কঢ়িয়াই ভাবুক মনৰ সৃষ্টিশীল সত্তা। শব্দৰ খেলাৰে মনৰ ভাবেই লয় কবিতাৰ ৰূপ। তেনে এক অনুভৱৰে সৃষ্টি 'বৰপুখুৰী পাৰৰ কবিতা'।

প্ৰথমবাৰৰ কাৰণে, শিৱসাগৰ ছোৱালী কলেজৰ শিক্ষক গোটে সংঘবদ্ধভাৱে এমুঠি কবিতা (অসমীয়া/ইংৰাজী) 'বৰপুখুৰী পাৰৰ কবিতা' নামেৰে প্ৰকাশ কৰিবলৈ প্ৰয়াস কৰিছে।

বাস্তৱৰ ধামখুমীয়াত ঠেকা খোৱা হৃদয়ৰ অনুভৱবোৰ কবিতা নে অকবিতা- তাৰ বিচাৰ নকৰি প্ৰথম প্ৰচেষ্টা হিচাপে **'বৰপুখুৰী পাৰৰ কবিতা'** সদাশয় পঢুৱৈ সমাজে আদৰি ল'লে সুখী হ'ম।

*শিৱসাগৰ ছোৱালী কলেজ শিক্ষক গোট*

# বৰপুখুৰী পাৰৰ কবিতা

সজাইছে—


- আব্দুল হামিদ
- ফনীন চন্দ্ৰ মাউত
- ৰঞ্জিৎ তামুলী
- ড° ৰশ্মিৰেখা গগৈ
- সঞ্জয়
- শিৱপ্ৰসাদ মিলি
- কৃতাঞ্জলি কোঁৱৰ
- কাকলি সোনোৱাল
- চাবিহা নাহিদ
- ড° ৰণ্টু গোহাঁই
- ৰিচা বৰঠাকুৰ
- ৰাজশ্ৰী দত্ত
- জাকিৰ হুছেইন
- বৰ্ণালী লহকৰ
- জুৰি বৰগোহাঁই
- প্ৰবীন শৰ্মা
- ৰাজশ্ৰী ফুকন
- ড° কিশোৰ কুমাৰ দেউৰী
- মহান ৰঞ্জন দত্ত

# তিনিটা অনুভূতি

**ফনীন চন্দ্ৰ মাউৎ**
ভূগোল বিভাগ

কোনে দিব মোক প্ৰেৰণা,
প্ৰেৰণাই মোৰ পবিত্ৰতা
স্বৰ্ণপুৰী মোক নালাগে,
সূৰ্যমুখী হৈ নুফুলো মই
মদাৰৰ পাহিতে ভাল লাগে।
মদাৰৰ পাহিতে ভাল লাগে।।

এই নদীৰ কূল
বতৰ যে অনুকূল
বিৰিঙানিত জানো ভোমোৰা পাম?
স্মৃতিৰ খলকনি বাৰিষাহে আহে
শৰতত মন হয় থান্‌বান।
মন হয় থান্‌বান।।

মই আঁকিছিলো এটা বৃত্ত
তুমি আঁকি দিলা
তাৰেই মাজত এডাল জ্যা
তোমাৰ জ্যাৰ ওপৰত
আঁকিলো মই পুনৰ এক বৃত্ত
সৃষ্টি হ'ল এক নতুন পৰিধিৰ।।

# অসমৰত্ন দুজনলৈ শ্ৰদ্ধাৰ্ঘৰে দুটি লিমাৰিক

ৰণজিৎ তামুলী
অসমীয়া বিভাগ

হৃদয়ত থাকে প্ৰতিবাদৰ উত্তাল বান
কথাই কথাই ৰণাঙ্গনৰ গান
পালে ক্ষন্তেক আজৰি
লুইতক সোধে বাতৰি
দেখিছানে হীৰেণ ভট্টাচাৰ্যৰ
শব্দৰ 'GUN'.

দিচাংমুখত আপং খাই এবাটি
বহাগত গায় শীতৰে সেমেকা ৰাতি
মুম্বাইত কৰে লান্স
বাৰ্লিনত দিয়ে ডান্স
ৰূপহী অসমে থাকে ভূপেনক মাতি।

# সপোনৰ বাগিছা

**ড° ৰশ্মিৰেখা গগৈ**
অসমীয়া বিভাগ

বকুল জোপাত ফুলি উঠিছে
উমলি জামলি মোৰ ল'ৰালি
শূন্যতাৰ দেৱালত ঠেকা খাই
উফৰি পৰিছে তাৰ সুবাস
আই, তোৰ গা-ভাৰী গোন্ধ
মোৰ গালে মুখে...
তোৰ যন্ত্ৰণাৰ বোকোচাত উঠি
সপোনৰ বাগিছাত ঘুৰিছো
সপোন গঢ়িছো
সপোন ভাঙিছো
ভঙাৰ সপোন য'ত
গঢ়াৰ সপোনো যে তাত
যদিওবা মই জানো
সপোনৰ বাগিছাতে এদিন
অনুভৱক অনুবাদ কৰিবলৈ
শিকা এই দুখন হাতে
হেৰুৱাব স্পৰ্শৰ অনুভূতি,
সকলো বৰ্ণমালা এৰি
জীৱনে পাহৰিব
জন্মৰ আনন্দ আৰু
মৃত্যুৰ বিষাদ
সপোনৰ বাগিছাতে...

# জীৱন বোধ

**সঞ্জয়**
ভূগোল বিভাগ

চিত্ৰগুপ্তৰ কাঠগড়াত
মাৰাথন জেৰা
বিধ্বস্ত মোৰ জীৱনৰ বেলেন্স-চিট
আত্মপক্ষ সমৰ্থত মোৰ 'মইটো'
চিঞৰি উঠিছিল....
জনক-জননীৰ প্ৰত্যাশিত আহ্বানত
মোৰ আত্মা থাপিত হৈছিল
জীৱনৰ লৌহ দ্বাৰ-দলিৰ পৰা
মোক নিয়া হৈছিল
অভিষেকৰ বাবে...
❖❖❖❖❖❖❖❖❖❖
এঢাপ এঢাপকৈ ওপৰলৈ উঠে
দৰিদ্ৰতাৰ মৃত্যু উপত্যকাত
জীৱন গঢ়াৰ
অনিয়ত অনুশীলন।
এক বিৰাট তাগিদা

জীয়াই থকাৰ,
সেইজীয়া হৈ,
বিনিময়ত—
শাওনৰ ৰ'দে দেই নিয়া জননীৰ শৰীৰ
এতিয়াও মনত পৰে-
বৈ আহিছিল
কোৰাৰিয়েদি টোপটোপকৈ
বোকা মিহলি কেচা ঘাম
আৰু স্নেহাশীষ মিহলি বক্ষৰ শ্বেত প্ৰপাত
মই কেৱল ঘামিছিলো সুখৰ নিদ্ৰাত,
নিৰাপত্তাত,
আৰু স্বাভিমানত
'আইৰ সমান হ'ব কোন'?
পথাৰত শুকান গোবৰ বিচাৰি থাকোতে
মই বুজা নাছিলো,
মই বুজা নাছিলো
গধুলি বজাৰত জাতিলাওযোৰ
বিকিবলৈ যাওঁতে
আবেগ আৰু ভোক যে একে নহয়
তথাপিও

অপূৰ্ণতাৰ বাবেই যেন
জীয়াই থকাৰ হেঁপাহ
হেপাহৰ বাবেই যেন অপেক্ষা
আঠু কাঁঢ়ি থকা পজাতিৰ
উৰলা শেতেলীত ভূমিস্থ হয়
শৈশৱক পাহুৱাল কৰিব পৰা কুমলীয়া সপোন
উৰুখা চালেদি সোমাই অহা
এমুঠিমান চিনাকি তৰাৰ তজবজীয়া সান্নিধ্যই
ক্ৰমশ মোক ডাঙৰ কৰি তোলে...

❖❖❖❖❖❖❖❖❖❖❖

এতিয়া কেৱল উভতি চাওঁ
হেপাহত
কিজানি পাওঁৱেইবা
এসময়ৰ একান্তই অনুগত
মো ছাঁ-টোক
এৰা, সিয়েই মোৰ একমাত্ৰ সাক্ষী।

# এজাক বৰষুণ আহিছিল

**মহান ৰঞ্জন দত্ত**
ৰাজনীতি বিজ্ঞান বিভাগ

যোৱা নিশা
তীৰ কঁপে আহিছিল এজাক বৰষুণ।
এতিয়া
মৰহা ফুলবোৰে উশাহ লৈছে
কেকুৰিৰ কাষৰ বৰগছজোপাত পোখা মেলিছে
সেমেকা আলি বাটত পিছলি পৰিছে
বোকা পানীৰে লুতুৰি পুতুৰি শৈশৱ।
ৰ'দৰ ভাঁজে ভাঁজে জিলিকিছে চহাৰ ঘাম
উখল মাখল পথাৰত
সেউজীয়া বতাহৰ বুলনি
গাভৰু নদী ঘাটত খিল-খিলনি।
জাক জাক পখিলাৰ গুণ-গুণনি
মোৰ বুকুতো।

# এমুঠি সংজ্ঞাবদ্ধ অনুভৱ

কৃতাঞ্জলি কোঁৱৰ
ইংৰাজী বিভাগ

(১)

ঈশ্বৰ, তুমিতো এক সয়ম্ভূ অস্তিত্ব
এক বেমানান অদৃশ্য শক্তি;
যাৰ নিৰ্লিপ্ত ইচাৰাত
ভাঙে-গঢ়ে নিৰ্বোধ মানুহৰ নিঃকিন সৃষ্টি।।

(২)

জীৱন, এক জ্যামিতিক ৰেখাংশ,
সসীম যাৰ ব্যাপ্তি চেৰাশালীৰ পৰা মৰিশালীলৈ।
ই যেন, সময়ৰ পৰিধিবিহীন কেনভাছত কোনো খেয়ালী শিল্পীৰ
বিক্ষিপ্ত আঁক-বাঁক, অতৃপ্তিৰ তপত হুমুনিয়াহ।।

(৩)

প্ৰেম, এক আদিমতম তাড়না,
কাৰোবাক আপোন কৰাৰ সুতীব্ৰ বাসনা
যাৰ আলমত গঢ় লয়
এডালি সাকোঁ হৃদয়ৰ পৰা হৃদয়লৈ।।

# এখন ধুনীয়া পৃথিৱী

কাকলি সোনোৱাল
অসমীয়া বিভাগ

এখন ধুনীয়া পৃথিৱীৰ বাবেই
এই মাটিক ভাল পাবলৈ শিকিছো
গছ-বনৰ স'তে মৰমৰ ঘৰ সাজিছো
নিজম নিশা বাঁহীৰ সুৰত তন্ময় হৈ পৰিছো

এখন ধুনীয়া পৃথিৱীৰ বাবেই
মেঘৰ মোহনাত বলুকা সাজিছো
নিশাৰ অভিমানী সাগৰখনৰ স'তে
নিসঙ্গতাৰ গান ৰচিছো

এখন ধুনীয়া পৃথিৱীৰ বাবেই
আকাশৰ স'তে নষ্টালজিক হৈ পৰিছো
কোনোবা জোনাকী নিশা
আকৌ কেতিয়াবা মিতিৰালী পাতিছো
পুৰাৰ ৰিব্ৰিব্ মলয়াজাকৰ স'তে

কেতিয়াবা কোনোবা এটা মাতাল নিশাত
এজাক প্ৰলয় আহে
জাক জাক প্ৰলয়ে কাঢ়ি লৈ যায়
সেই বলুকাক
সেই গানক
সেই সপোনক।

আকৌ এজাক আশাৰ ৰেঙণিত
নামি আহে আবিৰৰ সুবাস,
জীপাল হৈ পৰে পুনৰ
এটি দুটি হাজাৰটিকৈ....
এখন ধুনীয়া পৃথিৱীৰ আশাত
আকৌ সেই যাত্ৰা,
অবিৰাম, অবিৰত
ক'ত শেষ হ'ব
ক'ত শেষ হ'ব...!!!

# শাৰদীয় অনুভৱ

ড° কিশোৰ কুমাৰ দেউৰী
ৰাজনীতি বিজ্ঞান বিভাগ

ক্ৰমাত সেউজীয়া হৈ আহিছে
আহিনৰ চিনাকী পথাৰ
বালিমাহী উভতি আহিছে
বুকুত আহিন আবেগ
গাভৰু কহুৱাজাক ফুলিছে
হালিজালি নৃত্যৰত
শৰতমগ্ন কহুৱা ফুল
ব্যস্ত বিপনীত গাভৰু
ক্ষণ গনিছে বনিক পৃথিৱী
শুকুলা ডাৱৰৰ ছাঁত
জিৰাইছে শাৰদী দুপৰীয়া
স্বপ্নবিভোৰ প্ৰেমিক হৃদয়
এইবাৰ হেনো পাতলীয়া কুঁৱলীৰ চাদৰ
পিন্ধি আহিব ঋতুৰাণী
কঢ়িয়াই আনিব আমালৈ
সুখৰ কি দুখৰ সংবাদ।

# শিৱসাগৰ গাৰ্লছ কলেজ

ড° ৰণ্টু গোহাঁই
শিক্ষা বিভাগ

তোমাৰ উশাহ-কোমল বুকুৰ বাগিছাত
কিছুদিন জিৰাওঁগে বুলি
লুইতৰ বা হুৰাই হুৰাই
মই উৰি আহিছো সিপাৰৰ পৰা- হে এটি পৰিভ্ৰমী চৰাই

অ' মোৰ হেঁপাহৰ শিৱসাগৰ গাৰ্লছ্ কলেজ
তোমাৰ সমস্ত সেউজীয়াৰে মোক সেউজীয়া কৰা
তোমাৰ লাৱনী দুহাত আৰু মায়াবী মমতাৰে
মোক লালন কৰা দিন-প্ৰতিদিন
জীপাল কৰি তোলা মোৰ এই পৰিভ্ৰমী সত্ত্বা

শিৱসাগৰ গাৰ্লছ্ কলেজ
শুনিছো
হেনো তোমাৰ বুকুতে সাগৰ-বুকুতে বাখৰ
হাজাৰ বিজাৰ আকাশীগংগাৰ ধাৰক তুমি
হাজাৰ বিজাৰ ৰূপকথাৰ বাহক তুমি
তোমাৰ গৰ্ভস্থ জয়াই তৃতীয় বিশ্বৰ সপোন ৰচে
তোমাৰ গৰ্ভস্থ দ্ৰৌপদীয়ে নিউটনৰ চতুৰ্থ বিধিৰ পাঠ পঢ়ে
দেখি দূৰৈৰ পৰাই ৰ'লাগি চায়
ব্ৰহ্মাণ্ডৰ তেত্ৰিছ কৌটি দেৱতাই
একোকে নুবুজি তোমাৰ এই কায়াছবি

শিৱসাগৰ গাৰ্লছ্ কলেজ
আৰু শুনিছো
তোমাৰ আলফুল হৃদয় হাঁচতি
জীৱন আছে জাত নাই
যৌৱন আছে-পাত নাই
তুমি নুবুজা-নিচিনা উচ্চ আৰু নীচৰ ভাওনা
তুমি ঘৃন কৰা ধৰ্ম আৰু বৰ্ণৰ আখৰা

শিৱসাগৰ গালৰ্ছ কলেজ শিৱসাগৰ গালৰ্ছ কলেজ
তুমিতো কেৱল তুমি নহয়
তুমি দৰাচলতে আমি
আমাৰ বাবেই তুমি কাটি ৰাখিছা
এক স্বৰ্ণিল সপোন যেন সৰগী বাট
যি বাটেৰে আমি আহিছো
যি বাটেৰে আমি গৈছো
আমাৰ অহা আৰু যোৱাৰ বাটত
তুমি কেৱল ছটিয়াই আছা ফুল পাৰিজাত

শিৱসাগৰ গালৰ্ছ কলেজ
অ' মোৰ হেঁপাহৰ শিৱসাগৰ গালৰ্ছ কলেজ
উশাহ কোমল তোমাৰ বুকুৰ বিনন্দীয়া বাগিছা এৰি
মই যে এদিন ঘূৰি যাবগৈ লাগিব
পুনৰ বা হুৰাই অহাৰ বাটেৰে

যোৱাৰ পৰত কি দি যাম তোমাক!

# হঠাৎ

প্ৰবীন শৰ্মা
ইতিহাস বিভাগ

হঠাৎ সলনি হ'ব পাৰে
মানৱৰ ইতিহাস
হঠাৎ সলনি হ'ব পাৰে
মাজনিশাৰ স্বাধীনতা
হঠাৎ সলনি হয়
মানুহৰ ঠিকনা।

যিদৰে নদীয়ে হঠাৎ
সলায় গতিপথ
যিদৰে সলনি হয়
প্ৰেম ভাল পোৱা
মাথো সলনি নহয়
মানৱৰ অভাৱ আচৰণৰ প্ৰকৃতি
কাৰণ ই জন্মগত

# মোৰ স্বপ্ন

জুৰি বৰগোহাঁই
শিক্ষা বিভাগ

আহিনৰ নিয়ৰ সনা গধুলি
জ্বলা নজ্বলা চাকিৰ পোহৰ
কোনোবা যেন বৈ আছে
মাতিছে মোক দুহাত বাউলি
মোৰ দুভৰি আগবাঢ়িব খোজে
কিন্তু কোন সেইয়া!
মোক হাত জোৰেৰে ধৰি
কৰ্কশ মাতেৰে কৈছে
নাযাবা নাযাবা
সেই বাট বহু কাঁইটিয়া।

# হে নাৰী

জাকিৰ হুছেইন
প্ৰাণী বিজ্ঞান বিভাগ

নাৰীয়েইতো তুমি
মোৰ প্ৰথম চিনাকি
অস্তিত্ববিহীনতাৰ পৰা অস্তিত্বলৈ
মোৰ যাত্ৰা
গৰ্ভ তোমাৰ,
আলফুল, সাৱলীল।
নাৰীয়েইতো তুমি
মোৰ প্ৰথম আৱেগ।
থৰক্ বৰক্ দুভৰি
লাহে লাহে দৃঢ় হয়
পৰশত তোমাৰ,
মন-মগজুত নিচিন্ত
নির্মিমেষ নিবিড় অনুভৱ
ৰাতুলৰ পৰা শুকুলাহৈ
গতি তোমাৰ মোলৈ
নাৰীয়েইতো তুমি,
সৃষ্টিৰ আদি।

# দুঃসময়

**বৰ্ণালী লহকৰ**
শিক্ষা বিভাগ

জেঠ মাহৰ গা কপাই দিয়া ৰ'দেৰে
মই এগৰাকী ঘৰ্মাক্ত মানুহ
ব'হাগ মোৰ বাবে মাথো
বুৰঞ্জীৰ এটা নষ্ট পৃষ্ঠা
দোভাগ ৰাতিৰ বুকুভেদী অহা
বাঁহীৰ সুৰ
অথবা কোনোবা সুকণ্ঠীৰ
মৌ মিঠা মাত
কঁহুৱা ফুলৰ সপোন
নেদেখুৱাবা মোক
তাত এতিয়া কেৱল ঢোঁৰা সাপৰ আড্ডা
নিজম ৰাতিৰ উদ্দাম নৃত্য
আৰু কাষত বুঢ়া লুইতৰ গৰ্জন।

# The Untitled

**Abdul Hamid**
Dept. of English

The quill in my hand
Dipped in the blood of my heart
Will not sing; my love,
The story of our love making
But sing certainly it, a sad tale
A tale which lie hidden in the
Abyss of Eternity

My quill, dearest one,
Sing please, sing the
Sadest tale of justice denied,
Relations betrayed and humanity crushed
At every walk of life.

# MUSING

**Shiva Prasad Mili**
Dept. of English

Drifting comes the fall
Drowned in thoughts,
Unnoticed the aromatic bay
The solitude in its best.

Tears roll down in the saddest
Emptying the emotions filled
In the heart fuelled with hope
And from nature comes
Solace......
Carol the life, exalt the mood.

# An Accomplishment

**Rajashree Dutta**
Dept. of English

•

In the scorching heat of this summer afternoon
I sit beside the kitchen door,
With the book of verse in my hand
To soothe my otherwise tempered soul.

The light wind from the lemon tree planted
In my kitchen garden backward
Allows me moments of respite
With fresh air and smell of ripe lemons,
I go through the book of verse in my hand
With sweat tickling down my forehead
And becoming a pool of water
As it falls on the letters it creates a world
For me to delve in deep and core
Pages after pages I went by this summer afternoon
And I completed my book of verse.

09987

# Sweet Memories

**Dr. Rajashree Phukon**
Dept. of Home Science

When I feel lonely
In this friendless earth
I want to cry, but I can't
The tears, which I keep hiding
But I am not angry with you
I recall the every moment
You accompanied me
That every second
As colourful as a rainbow
You know
I just recall the sweet memories
Because
There is no way which I can do.

# Living life

**Richa Borthakur**
Dept. of Sociology

Life and love without one
There cannot be the other
the strings are tight, It
wont break loose, but they
live it like no other.
It illuminates the blackest
road, with the brightest spark,
but, they donot even bother
"Life cannot be lived without
the love of others."
"Life cannot be lived without the love of others."

# Has the Sun really Set?

**Sabiha Nahid**
Dept. of English

As the lonely horizon pulled you
Towards her,
I, stood alone, looking at that direction,
Every sundown, gazing at the dropping sun
As the yellow turns orange,
My heart skips many a thumping beat.
One, Two, three summers gone.
Four, five, Six, Seven, winters bid adieu
Yet, like the tireless ocean.
I keep looking towards the horizon,
Asking myself the reason, why she pulls
You towards her
The sun goes down and down,
That smile keeps me moving
Yet realising, that the sun sets, only to
brighten up another dark world,
Yet with a promise to come back.

শেষ পৃষ্ঠাৰ কবিতা

09987



## ভৱিষ্যত প্ৰজন্মৰ বাবে
## এটি স্মাইলি অনুভৱ

স্মাইলি কবি ঃ সঞ্জয়

অলপ হাঁহি অলপ অশ্রু
আমি হাতে হাত ধৰি
আহা নাচো গাও...
প্ৰেমৰ জখলাৰে
সুউচ্চ অট্টালিকা বগাব খোজা
আমি নৱ প্ৰজন্মৰ ৰক্ত।

স্মাইলিৰ অনুবাদক কবি ঃ অভিজিত বৰপূজাৰী